অধ্যায় ৭ ঃ তৈত্তিৰীয় আৰণ্যক পঞ্চ মহাযজ্ঞ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বৈদিক যজ্ঞ
৭.৪ যজ্ঞৰ বিভাগ
৭.৫ পঞ্চমহাযজ্ঞ
৭.৬ তৈত্তিৰীয় ব্ৰাহ্মণৰ পঞ্চমহাযজ্ঞ
৭.৭ পঞ্চমহাযজ্ঞ ঃ মূলপাঠ
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৈদিক যজ্ঞ সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব
- বৈদিক যজ্ঞৰ বিভাগসমূহৰ লগত সংক্ষেপে পৰিচয় হ'ব পাৰিব
- পঞ্চমহাযজ্ঞৰ আভাস লাভ কৰিব
- তৈত্তিৰীয় আৰণ্যকত থকা পঞ্চমহাযজ্ঞৰ বিষয়ে অৱগত হ'ব পাৰিব।

৭.২ পৰিচয়

বেদৰ বিষয়বস্তু অর্থাৎ মন্ত্ৰ আৰু ব্ৰাহ্মণসমূহৰ সৈতে বৈদিক যজ্ঞৰ সম্পৰ্ক আছে। বেদৰ মন্ত্ৰসমূহ যিকোনো এটা যজ্ঞ অথবা যজ্ঞাংশৰ লগত সম্বন্ধ কৰা হয়। বৈদিক সাহিত্যত বৈদিক যজ্ঞসমূহৰ বিষয়ে বিস্তৃত আলোচনা দেখিবলৈ পোৱা যায়। বেদৰ যজ্ঞসমূহৰ বিভিন্ন বিভাগসমূহো অতি বিস্তৃতভাৱে পোৱা যায়।

নিত্য যজ্ঞসমূহ অর্থাৎ নিতৌ কৰিব লগীয়া যজ্ঞসমূহৰ ভিতৰত পঞ্চ মহাযজ্ঞ অন্যতম। এই পাঁচটা যজ্ঞক মহাযজ্ঞ বুলি কোৱা হৈছে— ব্ৰহ্মযজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ আৰু মনুষ্যযজ্ঞ। গৃহস্থাশ্ৰমত থকা মানুহে নিতৌ এই যজ্ঞকেইটা সম্পন্ন কৰিব লাগে। বিভিন্ন গ্ৰন্থত এই পঞ্চ মহাযজ্ঞৰ বিষয়ে আলোচনা আছে।

'তৈত্তিৰীয় আৰণ্যক' নামৰ যর্জুৰ্বেদীয় গ্ৰন্থখনতো উপলব্ধ হোৱা পঞ্চমহাযজ্ঞ বিষয়টো

এই অধ্যায়টিত আলোচনা কৰা হৈছে। প্ৰতিটো মন্ত্ৰৰ শব্দাৰ্থ, তথা অসমীয়া অনুবাদ ইয়াত দিয়া হৈছে।

৭.৩ বৈদিক যজ্ঞ

যজ্ ধাতুটোৰ পৰা (যজ্+নঙ্) উৎপত্তি হোৱা যজ্ঞ শব্দটোৰ অৰ্থ হৈছে 'যজন কৰ্ম' অথবা 'উপাসনা কৰ্ম'। অমৰ সিংহৰ দ্বাৰা ৰচিত 'অমৰ কোশ' নামৰ গ্ৰন্থত যজ্ঞ শব্দটোৰ সাতটা পৰ্যায়বাচক শব্দ পোৱা যায়। সেইকেইটা হৈছে— যজ্ঞ, সৱ, অধ্বৰ, যাগ, সপ্ততন্তু, মখ, ক্ৰতু (যজ্ঞঃ, সৱোতুধ্বৰো যাগঃ সপ্ততন্তুৰ্মখঃ ক্ৰতুঃ (অমৰ কোশ, ব্ৰহ্মবৰ্গ, ১৫)। ঘৃত আদিৰে য'ত দেৱতাক পূজা কৰা হয়, সেয়াই 'যজ্ঞ'। য'ত সোমৰস অৰ্থাৎ সোমলতাৰ পৰা নিষ্কাষিত কৰা ৰসেৰে দেৱতা অৰ্চনা কৰা হয়, তাকে সৱ, য'ত হিংসাৰ ভাৱ নাথাকে, তাকেই অধ্বৰ বোলে। যাগ আৰু যজ্ঞৰ অৰ্থ একেতাই। য'ত সাত প্ৰকাৰৰ তন্তু অৰ্থাৎ কাৰণ আছে, তাকেই সপ্ততন্তু বোলে। দেৱতাসকলে য'ত অংশগ্ৰহণ কৰে, তাকেই 'মখ' আৰু য'ত স্বৰ্গলাভ হয় তাকেই 'ক্ৰতু' বুলি কোৱা হয়।

'যজ্ঞ' শব্দটো 'যজ্ দেৱপূজাসংগতিকৰণদানেষু' (পাণিনীয় ধাতুপাঠ ঃ ১-৭২৮) অৰ্থাৎ যজ্ ধাতুটোৰ সৈতে নঙ্ প্ৰত্যয়টো যোগ হৈ নিষ্পন্ন হৈছে। ধাতুপাঠ অনুসৰি যজ্ ধাতুটো তিনিটা অৰ্থত ব্যৱহাৰ কৰা হয়, যেনে— দেৱপূজা অৰ্থত, সংগতিকৰণ অৰ্থত তথা দান অৰ্থত। দেৱতাৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শনেই হ'ল দেৱপূজা। যজ্ঞৰ দ্বাৰাই শ্ৰেষ্ঠ ধৰ্মাত্মা বিদ্বানৰ সৎসঙ্গ কৰাই হৈছে সংগতিকৰণ অৰ্থত যজ্ঞ শব্দৰ তাৎপৰ্য। আনহাতে স্বয়ং উপাৰ্জিত ধন-সম্পত্তি, বিদ্যা আদিৰ প্ৰাণীসকলৰ কল্যাণৰ বাবে দান কৰাই হৈছে যজ্ঞৰ তৃতীয়বিধ তাৎপৰ্য। 'কাত্যায়ন শ্ৰৌতসূত্ৰ' নামৰ গ্ৰন্থখনৰ মতে যজ্ঞ হৈছে যি কৰ্মত দ্ৰব্য, দেৱতা তথা ত্যাগৰ সংভাৱ থাকে (দ্ৰব্যং দেৱতা ত্যগেঃ)।

৭.৪ যজ্ঞৰ বিভাগ

সাধাৰণতে যজ্ঞক দুই ভাগত বিভক্ত কৰা হৈছে— শ্ৰৌত আৰু স্মাৰ্ত। যি যজ্ঞৰ বিধান সাক্ষাৎ শ্ৰুতি অৰ্থাৎ সংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থৰ বাক্যৰ দ্বাৰা কৰা হয়, তাকেই শ্ৰৌত যজ্ঞ বোলে। আনহাতে যিবোৰ যজ্ঞৰ বিধান যথাৰ্থৰূপে গৃহ্যসূত্ৰ তথা ধৰ্মসূত্ৰসমূহত পোৱা যায়, তাকেই স্মাৰ্ত যজ্ঞ বুলি কোৱা হৈছে। গৃহ্যসূত্ৰসমূহত প্ৰধানভাৱে সংস্কাৰ আৰু গৃহস্থ্য উপযোগী কৰ্মৰ বিধান দিয়া হৈছে। আনহাতে ধৰ্মসূত্ৰসমূহত মানৱ সমাজৰ বিভাগ তথা সেই বিভাগত বিশিষ্ট কৰ্তব্যসমূহৰ নিৰূপন কৰা হৈছে।

শ্ৰৌত আৰু স্মাৰ্ত— এই দুই ভাগত বিভক্ত যজ্ঞক পুনৰ তিনিটা ভাগত ভাগ কৰা হৈছে। সেই কেইটা হ'ল— নিত্য, নৈমিত্তিক আৰু কাম্য। যিবোৰ কৰ্ম যথাসময়ত নিয়মিতভাৱে কৰা হয়, তাকেই নিত্য যজ্ঞকৰ্ম বোলে। অগ্নিহোত্ৰ, দৰ্শ-পূৰ্ণমাস, সোমযাগ ইত্যাদি নিত্য যজ্ঞ। কোনো এটা কাৰণত অৰ্থাৎ কোনো নিমিত্তে কোনো এটা যজ্ঞানুষ্ঠান কৰিলে, তাক নৈমিত্তিক

কর্ম বোলে। যেনে— গৃহ আদি দাহ হ'লে, ভীষণ ভূমিকম্প আহিলে অথবা অতি বৃষ্টি আদি কাৰণত যিবোৰ যাগ অনুষ্ঠিত কৰা হয়। আনহাতে, গ্রামপ্রাপ্তি, যশঃপ্রাপ্তি আদি কামনাসমূহৰ পূর্তিৰ বাবে যিসমূহ যাগ কৰা হয়, তাকেই কাম্য যাগ বোলে। সাধাৰণতে কল্পসূত্রবোৰত পাঁচ প্রকাৰৰ শ্রৌতযাগৰ বর্ণনা পোৱা যায়। সেইবোৰ হৈছে— হোম, ইষ্টি, সোম, পশু আৰু সত্র। হব্য দ্রব্যৰ প্রকাৰ অনুসৰি যজ্ঞক ইষ্টিযাগ (পাকযজ্ঞ), পশুবন্ধ তথা সৌমিক কর্ম বুলি কোৱা হৈছে। 'গোপথ ব্রাহ্মণ' নামৰ গ্রন্থত (১/৫/২৫) ৭ বিধ পাকযজ্ঞ, ৭ বিধ হবির্যজ্ঞ আৰু ৭ বিধ সোমযজ্ঞৰ নাম উল্লেখ আছে। যজ্ঞ অনুষ্ঠানৰ দীর্ঘত্ব অনুসৰি যজ্ঞক তিনি প্রকাৰত ভাগ কৰা হৈছে। এদিনতে সমাপ্ত কৰা যাগক 'একাহ', দুই দিনতকৈ বেছি কিন্তু ১২ দিনৰ ভিতৰত সমাপ্যমান যাগক 'অহীন', আনহাতে ১২ দিনতকৈ বেছি দিন তথা বছৰ বছৰ ধৰি অনুষ্ঠীয়মান যাগক 'সত্র' বুলি কোৱা হৈছে। সাধাৰণ দৃষ্টিত গৃহস্থই কৰণীয় পাঁচ প্রকাৰৰ যজ্ঞ দেখিবলৈ পোৱা যায়। যাক 'পঞ্চ মহাযজ্ঞ' বুলি কোৱা হৈছে।

৭.৫ পঞ্চমহাযজ্ঞ

গার্হস্থ্য আশ্রমত থকাসকলে নিতৌ পাঁচ প্রকাৰৰ যজ্ঞ কৰিব লাগে, যাক পঞ্চমহাযজ্ঞ বুলি কোৱা হৈছে। এইটো নিত্যযাগ। এই পাঁচ প্রকাৰৰ যজ্ঞৰ বিষয়ে প্রথমতে 'শতপথব্রাহ্মণত' (১১/৫/৬/১) পোৱা যায়। এই পঞ্চমহাযজ্ঞ কেইটাৰ নাম হৈছে— ভূতযজ্ঞ, নৃযজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ আৰু ব্রহ্মযজ্ঞ। ইয়াতে এই যজ্ঞকেইটাক সত্রযজ্ঞ বোলা হৈছে। কাৰণ, ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যসকলে এই যজ্ঞকেইটা দৈনন্দিন অনুষ্ঠিতকৰাটো বাধ্যতমূলক। তৈত্তিৰীয় আৰণ্যক, আশ্বলায়ন গৃহ্যসূত্র (৩/১/১-৪), ভাৰদ্বাজ গৃহ্যসূত্র (১/১৮), গোভিল গৃহ্যসূত্র (১/৪), মনুস্মৃতি (৩/৭১-৭৪) আদি গ্রন্থত এই যজ্ঞৰ বর্ণনা এনেদৰে পোৱা যায়— 'ওঁ অর্থাতঃ পঞ্চ যজ্ঞাঃ। দেৱযজ্ঞ, ভূতযজ্ঞ, পিতৃযজ্ঞ, ব্রহ্মযজ্ঞ মনুষ্যযজ্ঞশ্চ ইতি। তানেতান্ যজ্ঞান্ অহৰহঃ কুর্বীত।'

পাঁচোটা যজ্ঞৰ ভিতৰত স্বাধ্যায় অর্থাৎ বেদাদি পাঠ কৰাকে 'ব্রহ্মযজ্ঞ', হোম আদি কৰাক 'দেৱযজ্ঞ', অন্ন, জলপান, শয্যাদি দি অতিথিৰ সৎকাৰ কৰাক 'নৃযজ্ঞ', অন্ন, জল, পিণ্ডদান, শ্রাদ্ধ আদিৰ দ্বাৰা পূর্ব-পুৰুষক সন্তুষ্ট কৰাকে 'পিতৃযজ্ঞ', আৰু কাউৰী, পাৰ, ছাগলী, গৰু আদি জীৱ-জন্তুক খাদ্যবস্তুৰে (বলি) সন্তুষ্ট কৰাকে 'ভূতযজ্ঞ' বুলি কোৱা হয়। এই সম্বন্ধে 'অমৰকোষ'ত এনেদৰে পোৱা যায়—

'পাঠো হোমশ্চাতিথীনাং সপর্বা তর্পনং বলিঃ।
এতে পঞ্চ মহাযজ্ঞা ব্রহ্মায়জ্ঞাদি নামকাঃ।। (অমৰকোষ, ২/৭/১৪)

'মনুসংহিতা'ৰ তৃতীয় অধ্যায়ত মনুৱে কৈছে যে গৃহস্থীয়ে বিবাহৰ সময়ত সংস্থাপিত অগ্নিত যথাবিধি গৃহ্যকর্ম, পঞ্চমহাযজ্ঞ আদি নিজে সম্পাদন কৰিব লাগে। গৃহস্থীৰ কাৰণে চৌকা (চুলা), চাক্কী (জাত), বাঢ়নি, উৰুখল আৰু পানীৰ কলহ— এই পাঁচটা পাপৰ স্থান। এই বিলাক ব্যৱহাৰ কৰিলে জীৱ-হিংসা হোৱাৰ ফলত গৃহস্থী পাপত লিপ্ত হয়। এই

পঞ্চ পাপৰ পৰা মুক্তিৰ অর্থে মহর্ষিসকলে গৃহস্থীসকলৰ বাবে পাঁচটা মহাযজ্ঞ বিধান দিছে। পঞ্চমহাযজ্ঞ বুলি কোৱা এই পাঁচটা যজ্ঞ হৈছে— বেদৰ অধ্যয়ন-অধ্যাপন হ'ল ব্রহ্মযজ্ঞ, তর্পন পিতৃযজ্ঞ, হোম দেৱযজ্ঞ, পশু-পক্ষীক অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি সেৱাক নৃযজ্ঞ বুলি কোৱা হৈছে—

'অধ্যাপনং ব্রহ্ম যজ্ঞঃ পিতৃযজ্ঞস্তু তর্পনম্।
হোমো দৈৱো ৱলিৰ্ভৌতো নৃযজ্ঞো ঽতিথিপূজ নম্।।' (মনুসংহিতা, ৩.৭০)

মনুসংহিতাত কোৱা মতে অহুত, হুত, প্রহুত, ব্রাহ্মীহুত আৰু প্রাশিত এই পাঁচটাকো কোনো কোনো পণ্ডিতে পন্তুমহাযজ্ঞ বুলি কয়। বেদমন্ত্র জপকৰাক 'অহুত', হবন কৰাক 'হুত', ভূতবলিক 'প্রহুত', অতিথি সেৱা আৰু ব্রাহ্মণ সেৱাক ব্রাহ্মহুত আৰু পিতৃতর্পণক 'প্রাশিত' বুলি কোৱা হৈছে—

'অহুতঞ্চ হুতঞ্চৈং তথা প্রহুতমেৱ চ।
ব্রাহ্ম্যং হুতং প্রাশিতঞ্চ পঞ্চ যজ্ঞান্ প্রচক্ষতে।।
জপো ঽহুতো হুতো হোমঃ প্রহুতো ভৌতিকো ৱলিঃ।
ব্রাহ্ম্যং হুতং দ্বিজাগ্র্যার্চা প্রাশিতং পিতৃতর্পণম্।।' (মণু., ৩.৭৩-৭৪)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'যজ্ঞ' শব্দটো কোনটো ধাতুৰ পৰা নিষ্পন্ন হৈছে?

.....

.....

প্রশ্ন নং ২ ঃ শ্রৌতযাগসমূহ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ নিত্য যজ্ঞ মানে কি?

.....

.....

প্রশ্ন নং ৪ ঃ পিতৃযজ্ঞ কাক বোলে?

.....

.....

প্রশ্ন নং ৫ ঃ কি কি গ্রন্থত পঞ্চমহাযজ্ঞৰ বিষয়ে বর্ণনা পোৱা যায়?

.....

.....

৭.৬ তৈত্তিৰীয় ব্ৰাহ্মণৰ পঞ্চমহাযজ্ঞ

তৈত্তিৰীয় সংহিতা অৰ্থাৎ কৃষ্ণযজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় ব্ৰাহ্মণৰ সমপ্ৰসাৰত ভাগ এটা হৈছে তৈত্তিৰীয় আৰণ্যক। আৰণ্যক সাহিত্যৰাজিৰ ভিতৰত এইখনৰ কলেবৰ বৃহৎ। এই আৰণ্যকখন দহটা অধ্যায়ত বিভক্ত তথা ইয়াৰ অধ্যায়বোৰক 'প্ৰপাঠক' বুলি কোৱা হয়। এই প্ৰপাঠকসমূহক সাধাৰণতে 'অৰণ' বুলি কোৱা হৈছে। অধ্যায়টোৰ প্ৰথম শব্দটোৰ দ্বাৰা প্ৰতিটো অৰণক নামাকৰণ কৰা হৈছে। সেই অনুসৰি অৰণসমূহ হৈছে যথাক্ৰমে— (১) ভদ্ৰ, (২) সহৱৈ, (৩) চিত্তি, (৪) যুঞ্জতে, (৫) দেৱ ৱৈ পৰে, (৬) পৰে, (৭) শিক্ষা, (৮) ব্ৰহ্মবিদ্যা, (৯) ভৃগু, (১০) নাৰায়ণীয়। সপ্তমৰ পৰা নৱম প্ৰপাঠকলৈ এই তিনিটা 'তৈত্তিৰীয় উপনিষদ' নামেৰে জনাজাত। দশম প্ৰপাঠকটোত 'মহানাৰায়ণ' উপনিষদ সংগৃহীত হৈ আছে।

তৈত্তিৰীয় আৰণ্যকৰ দ্বিতীয় প্ৰপাঠকত পঞ্চমহাযজ্ঞৰ বৰ্ণনা পোৱাযা। তলত এ পঞ্চমহাযজ্ঞৰ মূল পাঠ, শব্দাৰ্থ, অসমীয়া অনুবাদ দিয়া হ'ল।

৭.৭ পঞ্চমহাযজ্ঞ ঃ মূলপাঠ

মূলপাঠ ঃ পঞ্চ বা এতে মহাযজ্ঞাঃ সততি প্ৰতায়ন্তে সততি সংবিষ্ঠন্তে
দেবযজ্ঞ পিতৃযজ্ঞো ভূতযজ্ঞো মনুষ্যযজ্ঞো ব্ৰহ্মযজ্ঞ ইতি।। ১।।

শব্দাৰ্থ ঃ পঞ্চ = পাঁচটা, বৈ (ই এটা অব্যয়, কোনো অৰ্থ তেনেকৈ নাই), এতে = এইবোৰ, মহাযজ্ঞাঃ = মহাযজ্ঞ, সততি = নিৰন্তৰ, সদায়ে, প্ৰতায়ন্তে = অনুষ্ঠিত কৰা, সততি = সদায়ে, সংতিষ্ঠন্তে = সমাপ্ত হয়, দেৱযজ্ঞ = দেৱযজ্ঞ, পিতৃযজ্ঞঃ = পিতৃযজ্ঞ, ভূতযজ্ঞ = ভূতযজ্ঞ, মনুষ্যযজ্ঞঃ = মনুষ্যযজ্ঞ, ব্ৰহ্মযজ্ঞঃ = ব্ৰহ্মযজ্ঞ, ইতি = (পৰিগণনাৰ্থক এইটো অৱ্যয়)।

অসমীয়া অনুবাদ ঃ দেৱযজ্ঞ, পিতৃযজ্ঞ, ভূতযজ্ঞ, মনুষ্যযজ্ঞ আৰু ব্ৰহ্মযজ্ঞ— এই পাঁচটা মহাযজ্ঞ সদায়ে অনুষ্ঠিত হয় আৰু সদায়ে সমাপ্ত হয়।

মূলপাঠ ঃ যদ্‌অগ্নৌ জুহোত্যপি সমিধং তদদৈবযজ্ঞঃ সংতিষ্ঠতে ।। ২।।

শব্দাৰ্থ ঃ য়ৎ = যেতিয়া, অগ্নৌ = অগ্নিত, জুহোতি = আহুতি দিয়া হয়, অপি = (জোৰ বুজোৱা অব্যয়) (আহুতি দিলেও), সমিধম্‌ = যজ্ঞত আহুতি দিয়া কাঠ, তৎ = তেতিয়াই, দেৱযজ্ঞ = দেৱযজ্ঞ, সংতিষ্ঠতে = সম্পন্ন হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া অগ্নিত এটুকুৰা সমিধ (অৰ্থাৎ যজ্ঞত জুই জ্বলাবলৈ ব্যৱহাৰ কথা শুকান কাঠ) কেৱল আহুতি দিলেও, ইয়াৰ দ্বাৰাই দেৱ যজ্ঞ সম্পাদিত হয়।

মূলপাঠ ঃ যৎ পিতৃভ্যঃ স্বধা কৰোত্যাচ্যপস্তৎ পিতৃযজ্ঞঃ সংতিষ্ঠতে।। ৩।।

শব্দাৰ্থ ঃ য়ৎ = যেতিয়া, পিতৃভ্যঃ = পূৰ্বপুৰুষক, স্বধা কৰোতি = 'স্বধা' শব্দৰ উচ্চাৰণপূৰ্বক সমৰ্পন কৰে, অপি = ও, অপঃ = পানী, তৎ = ইয়াৰ দ্বাৰাই, পিতৃযজ্ঞঃ = পিতৃযজ্ঞ, সংতিষ্ঠতে = সম্পন্ন হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া 'স্বধা' শব্দৰ উচ্চাৰণৰ দ্বাৰা পূর্বপুৰুষসকলক কেবল অলপ পানীও অর্পণ কৰা হয়, ইয়াৰ দ্বাৰাই পিতৃযজ্ঞ সম্পন্ন হয়।

মূলপাঠ ঃ যদ্‌ভূতেভ্যো বলিং হৰতি তদ্ভূতযজ্ঞ সংতিষ্ঠতে।। ৪।।

শব্দার্থ ঃ য়ৎ = যেতিয়া, ভূতেভ্যঃ = কাউৰী, পাৰ, গৰু, ছাগলী আদি প্রাণীলৈ বলিং হৰতি = ভোজন দ্রব্য সমর্পন কৰা হয়, তৎ = তেতিয়াই, ভূতযজ্ঞ = ভূতযজ্ঞ, সংতিষ্ঠতে = সম্পন্ন হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া কাউৰী আদি প্রাণীসমূহক ভোজন সামগ্রী সমর্পন কৰা হয়, তেতিয়াই ভূতযজ্ঞ সম্পন্ন হয়।

মূলপাঠ ঃ যদ্‌ব্রাহ্মণেভ্যো২ন্নং দদাতি তন্মনুষ্যযজ্ঞঃ সংতিষ্ঠতে।। ৫।।

শব্দার্থ ঃ য়ৎ = যেতিয়া, ব্রাহ্মণেভ্যঃ = ব্রাহ্মণ আদি মানুহক, অন্নং = অন্ন অথবা ভোজন, দদাতি = প্রদান কৰে, তৎ = তেতিয়াই, মনুষ্যযজ্ঞ, সংতিষ্ঠতে = সম্পূর্ণ হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া ব্রাহ্মণ আদি মানুহক ভোজন প্রদান কৰা হয়, তেতিয়াই মনুষ্যযজ্ঞ সম্পূর্ণ হয়।

মূলপাঠ ঃ যদৃস্বাৱাধ্যায়ম মধীয়ীতৈকামপ্যৃচং যজুঃ সামবা তদ্ ব্রহ্মযজ্ঞঃ সংতিষ্ঠতে।। ৬।।

শব্দার্থ ঃ য়ৎ = যেতিয়া, স্বাধ্যায়ম্ = স্বাধ্যায় অর্থাৎ পৰম্পৰাগত নিজৰ বেদৰ শাখা, অধীয়ত = অধ্যয়ন কৰে, একাম্ = এটা, অপি = ও, ঋচম্ = ঋক্‌মন্ত্র, যজু ঃ = যজুমন্ত্র, সাম = সামন মন্ত্র, বা = অথবা, তৎ = তেতিয়াই, ব্রহ্মযজ্ঞঃ = ব্রহ্মযজ্ঞ, সংতিষ্ঠতে = সম্পূর্ণ হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া বেদৰ নিজৰ শাখাৰ এটা ঋক্‌মন্ত্র, এটা যজু মন্ত্র বা এটা সাম মন্ত্রৰ অধ্যয়ন কৰা হয়, তেতিয়াই ব্রহ্মযজ্ঞ সম্পূর্ণ হয়।

মূলপাঠ ঃ যদৃচো২ধীতে পয়সঃ কূল্যা অস্য পিতৃন্‌স্বধা অভিবহন্তি যদ্যজুংষি ধৃতস্য কুল্যা যৎ সামানি সোম এভ্যঃ পবতে যদথর্বাঙ্গিৰসো মধোঃ কুল্যা যদ্‌ ব্রাহ্মাণানীতিহাসান্‌পুৰাণানি কল্পান্‌গাথা নাৰাশং সীর্মেদসঃ কুল্যাং অস্য পিতন্‌স্বাধা অভিবহন্তি।। ৭।।

শব্দার্থ ঃ য়ৎ = যেতিয়া, ঋচঃ = ঋক্‌মন্ত্রৰ, অধীতে = অধ্যয়ন কৰা হয়, পয়সঃ = গাখীৰৰ, কূল্যাঃ = নদী, অস্য = ব্রহ্মযজ্ঞ কৰোঁতাজনৰ, পিতৃন্ = পূর্বপুৰুষক লক্ষ্য কৰি, স্বধা = স্বধাকাৰৰূপেৰে দিয়া হবিৰ ৰূপেৰে, অভিৱহন্তি = প্রৱাহিত হয়, য়ৎ = যেতিয়া, যজুংষি = যজুযমন্ত্রৰ, ঘৃতস্য = ঘিউৰ, কূল্যাঃ = নদী, যৎ = যেতিয়া, সামানি = সামন্ মন্ত্রৰ, সোমঃ = সোমৰ ধাৰা, এভ্যঃ = পূর্বপুৰুষ সকললৈ, পৱতে = প্রবাহিত হয়, য়ৎ = যেতিয়া, অথর্বাঙ্গিৰসঃ = অথর্ববেদৰ মন্ত্র, মধোঃ = মৌৰ, কূন্যাঃ = নদী, যৎ = যেতিয়া, ব্রাহ্মণানি = ব্রাহ্মণগ্রন্থৰ, ইতিহাসান্ = ইতিহাস, পুৰাণানি = পুৰাণ, কল্পান্ = কল্প, গাথাঃ = গাঁথা, নাৰাশংসীঃ = নাৰাশংসী, মেদসঃ = মাংসৰ, কূল্যাঃ = নদী, অস্য = ব্রহ্মযজ্ঞ কৰাজনৰ, পিতৃন = পূর্বপুৰুষলৈ,

স্বধা = স্বধাকাৰৰ দ্বাৰা সমর্পিত হৱিৰ্ৱপেৰে, অভিৱহন্তি = প্রবাহিত হয়।

অসমীয়া অনুবাদ ঃ যেতিয়া ঋগ্‌বেদৰ ঋচাসমূহৰ অধ্যয়ন কৰা হয়, ইয়াৰ দ্বাৰা ব্রহ্মযজ্ঞ সম্পাদন কৰাজনৰ পূর্বপুৰুষসকললৈ গাখীৰৰ নদী স্বধাকাৰেৰে সমর্পিত হবির্দ্রব্য হৈ (গাখীৰৰ দ্বাৰা প্রদান কৰা আহুতি দ্রব্যৰ দৰে) প্রবাহিত হয়।

যেতিয়া যজুর্বেদৰ যজুষৰ অধ্যয়ন কৰা হয়, ইয়াৰ দ্বাৰা পূর্বপুৰুষসকললৈ ঘিঁউৰ নদী প্রবাহিত হয়।

যেতিয়া সামবেদৰ সামনৰ অধ্যয়ন কৰা হয়, ইয়াৰ দ্বাৰা পূর্বপুৰুষসকললৈ সোমৰসৰ ধাৰা প্রবাহিত হয়।

যেতিয়া অথর্বাঙ্গিৰস অর্থাৎ অথর্ববেদৰ অধ্যয়ন কৰা হয়, ইয়াৰ দ্বাৰা পূর্বপুৰুষসকললৈ মৌৰ নদী প্রবাহিত হয়।

যেতিয়া ব্রাহ্মণ, ইতিহাস, পুৰাণ, কল্প, গাঁথা আৰু নাৰাশংসীৰ অধ্যয়ন কৰা হয়, ইয়াৰ দ্বাৰা পিতৃ-পুৰুষসকললৈ লক্ষ্য কৰি মাংসৰ নদী স্বধাকাৰৰূপে সমর্পিত দ্রব্য হৈ প্রৱাহিত হয়।



জানি থোৱা ভাল

ব্রাহ্মণানী ঃ বেদৰ শ্লোক (verse) বোৰক 'মন্ত্র' বুলি কোৱা হয়, আনহাতে ব্রাহ্মণ গ্রন্থৰ বাক্যসমূহক 'ব্রাহ্মণ' বুলি কোৱা হয়। বেদ মন্ত্র আৰু ব্রাহ্মণৰ দ্বাৰাই পৰিপূর্ণ হৈ আছে— 'মন্ত্রব্রাহ্মণাত্মক শব্দৰাশিঃ বেদঃ'। 'ব্রাহ্মণম্' শব্দটোৰ প্রথমা বহুবচনত 'ব্রাহ্মণানী'।

ইতিহাস ঃ এবিধ শাস্ত্র (History)। ইতিহাসৰ সংজ্ঞা এনেদৰে পোৱা যায়— ধর্ম, অর্থ, কাম আৰু মোক্ষ— এই চাৰিবিধ পুৰুষার্থৰ বিষয়ে উপদেশ দিবলৈ যিবোৰ কথা বা কাহিনী লিখা হয়, তাকেই ইতিহাস বোলে— 'ধর্মার্থ কামমোক্ষাণামুপদেশ সমন্বিতং। পূর্ববৃত্তং কথাযুক্তমিতিহাসং প্রচক্ষতে।।' পৰম্পৰা মতে 'ৰামায়ণ' আৰু ব্যাসপ্রণীত 'মহাভাৰত'ক ইতিহাস বুলি কোৱা হৈছে। ভাগৱত পুৰাণত (১/৪/২০) ইতিহাস আৰু পুৰাণক পঞ্চমবেদ বোলা হৈছে। মনুসংহিতাত (৩/২৩২) কোৱা আছে যে, শ্রাদ্ধৰ সময়ত ব্রাহ্মণসকলক বেদ, ধর্মশাস্ত্র, আখ্যান, ইতিহাস, পুৰাণ অথবা 'খিল' অর্থাৎ স্ত্রীসূক্ত, শিৱসংকল্প আদি শুনাব।

পুৰাণ ঃ ব্যাসদেৱে ৰচনা কৰা হিন্দুসকলৰ পবিত্র শাস্ত্র। 'পুৰাণ' শব্দৰ অর্থ হৈছে প্রাচীন আখ্যান। ইয়াক ইতিহাসৰ লগত তুলনা কৰিব পাৰি। মৎস্য পুৰাণৰ মতে, যি গ্রন্থত অতীত ঘটনাৱলী থাকে, তাকেই পুৰাণ বুলি কোৱা হয়— 'পুৰাতনস্য কল্পস্য পুৰাণানি বিদুর্বুধাঃ।' পুৰাণৰ পাঁচটা লক্ষণ থাকিব লাগে— সর্গ (সৃষ্টি), প্রতিসর্গ (সংহাৰ আৰু জগতৰ পুনসৃষ্টি), বংশ (দেৱতা আৰু ঋষি-মুনিসকলৰ

বংশ-তালিকা), মন্বন্তৰ (একোজন মনুৰ সময়), আৰু বংশানুচৰিত (ৰজাবিলাকৰ বংশ তালিকা)— 'সর্গশ্চ প্রতিসর্গশ্চ বংশো মন্বন্তৰাণি চ। বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চ লক্ষণম্।' পুৰাণ ওঠৰখন— ব্রহ্ম, পদ্ম, বিষ্ণু, শিৱ, ভাগৱত, নাৰদীয়, মার্কণ্ডেয়, অগ্নি, ভৱিষ্য, ব্রহ্মবৈৱর্ত, ৱৰাহ, লিঙ্গ, স্কন্দ, বামন, কূর্ম, মৎস্য, গৰুড় আৰু ব্রহ্মাণ্ড।

কল্পান্ ঃ কল্প অথবা কল্পসূত্রসমূহ। উপনিষদৰ পাছত ৰচিত এক শ্রেণীৰ বৈদিক সাহিত্য। বেদৰ মন্ত্রসমূহ ভালদৰে জানিবলৈ শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ নামৰ ছয় প্রকাৰৰ শাস্ত্র ৰচনা কৰা হৈছিল, যাক 'বেদাঙ্গ' বুলি কোৱা হয়। ইয়াৰ ভিতৰত যাক কল্প বুলি কোৱা হৈছে, সেয়ে কল্পসূত্র নামৰ গ্রন্থসমূহৰ আধাৰ। 'কল্প' শব্দটোৰ অর্থ হৈছে বিধি (যজ্ঞৰ) বা নিয়ম। কল্পসূত্র চাৰি ভাগত বিভক্ত— শ্রৌতসূত্র, গৃহ্যসূত্র, ধর্মসূত্র আৰু সুল্বসূত্র। ইয়াৰে ভিতৰত শ্রৌতসূত্রত শ্রৌত অর্থাৎ বৈদিক ক্রিয়াকর্মৰ বিষয়ে উল্লেখ আছে। গৃহ্যসূত্রবোৰত গৃহস্থৰ দৈনন্দিন জীৱনত অনুষ্ঠেয় সংস্কাৰ কর্মবিলাক আলোচনা কৰা হৈছে। ধর্মসূত্রসমূহত আচাৰ, চাৰিওটা বর্ণৰ কর্তব্যাকর্তব্য, আশ্রম, ন্যায় বিচাৰ, দণ্ডবিধান, উপনয়ন-বিবাহাদি সংস্কাৰৰ দার্শনিক তাৎপর্য আদি বিষয়সমূহ আলোচিত হৈছে। সুল্ব সূত্রসমূহত যজ্ঞৰ বেদী, কুণ্ড আদি নির্মাণৰ পদ্ধতিসমূহ আলোচিত হৈছে। বিভিন্ন বেদৰ বিভিন্ন কল্পসূত্র গ্রন্থ আছে।

গাথা ঃ পিতৃ পুৰুষৰ স্তুতিগীত, নাইবা কাব্যপুৰাণান্তর্গত— কথা প্রকাশক গীত। ধর্মনিষ্ঠ নৃপতিগণৰ প্রশংসাসূচক গীতকো গাথা বোলে— 'গাথা চ গীতিকা চাপি তস্য সম্পদ্যতে নৃপ। (মহাভাৰত, ৩/৪৫/৩০)। গীয়তে ইতি গাথা, গৈ+থন্ স্ত্রীয়াম্ টাপ্। ঋগ্বেদত পোৱা যায়— 'গায়দ্গাথং সূত্রসোমো দুৰায়ন্' (ঋগ্বেদ, ১/১৬৭/৬)। শ্লোক অর্থতো গাথা শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াৰ লক্ষণ ছন্দোমঞ্জৰীত এনেদৰে পোৱা যায়— 'পাদে দ্বাদশ বিষয়ে মাত্রাশ্চাষ্টাদশ দ্বিতীয়ে হি। পঞ্চদশ চেৎ তুৰীয়ে কথিতা গাথা তথৈবার্যা।' 'মনুসংহিতা'ত গীত অর্থত গাথা শব্দটো প্রয়োগ কৰা হৈছে। ইয়াত কোৱা হৈছে যে বায়ুৱে গোৱা এফাকি গাথা পুৰাবিদসকলে উদ্ধৃতি দিছে— 'অত্র গাথা বায়ুগীতা ঃ কীর্তয়ন্তি পুৰাবিদঃ।' (মনুসংহিতা, ৯/৪২) গাথাৰ উদাহৰণ - পিতৃগাথা আদি।

নাৰাশংস ঃ নৰৈৰাংশস্যতে = নাৰাশংস। নাৰাশংস হৈছে একপ্রকাৰ মন্ত্র বিশেষ, যাৰ সহায়ত মানুহৰ অর্থাৎ পিতৃপুৰুষৰ স্তুতি কৰা হয়— 'য়েন নৰাঃ প্রশস্যন্তে স নাৰাশংসো মন্ত্র', (নিৰুক্ত, ৯/৯)। নাৰাশংস মন্ত্রৰ এটা উদাহৰণ—

'অমন্দান্নস্তোমান্প্র ভৰে মনীষা সিন্ধাবধি ক্ষিয়তো ভাব্যস্য।
য়ো মে সহস্রমমিমীত সৱানতূর্তো ৰাজা শ্রৱ ইচ্ছমানঃ।।'

(ঋগ্বেদ, ১/১২৬/১)

মূলপাঠ ঃ যদৃচো২ধীতে পয় আহুতিভিৰেব তদ্দেবান্স্তর্পয়তি যদ্যজুংষি ধৃতাহুতিভির্যৎ সামানি সোমাহুতিভির্যঐদথর্বাঙ্গিৰসো মধ্বাহুতিভির্যদ্ব্রাহ্মণানীতিহাসন্পুৰাণানি কল্পান্গাথা নাৰাশংসীমেদাহুতিভিৰেব তদ্দেবান্স্তর্পযতি ত এনং তৃপ্তা আয়ুষা তেজসা বর্চসা শ্রিয়া যশসা ব্রহ্মবর্চসেনান্নাদ্যেন চ তর্পয়ন্তি ইতি।। ৮।।

শব্দার্থ ঃ য়ৎ = যেতিয়া, ঋচঃ = ঋক্মন্ত্রৰ, অধীতে = অধ্যয়ন কৰা হয়, পয় আহুতিভিঃ = গাখীৰৰ আহুতিৰ দ্বাৰা, এৱ = ই, তৎ = সেয়াই দেৱান্ = দেৱতাসকলক, তর্পয়ন্তি = তৃপ্ত কৰে, য়ৎ = যেতিয়া য়জুংষি = যজুষ মন্ত্রৰ, ঘৃতাহুতিভিঃ = ঘিঁউৰ আহুতিৰ দ্বাৰা, য়ৎ = যেতিয়া, সামানি = সামন্ মন্ত্রৰ, সোমাহুতিভিঃ = সোমৰসৰ আহুতিৰ দ্বাৰা, য়ৎ = যেতিয়া, অথর্চাঙ্গিৰসঃ = অথর্ববেদৰ, মধ্বহুতিভিঃ = মধুৰ আহুতিৰ দ্বাৰা, য়ৎ = যেতিয়া, ব্রাহ্মণানি = ব্রাহ্মণ গ্রন্থৰ, ইতিহাসান্ = ইতিহাসৰ, পুৰাণানি = পুৰাণৰ, কল্পান্ = কল্পসমূহৰ, গাথাঃ = গাঁথাসমূহৰ, নাৰাশংসীঃ = নাৰাশংসীসমূহৰ, মেদাহুতিভিঃ = মাংসৰ আহুতিৰ দ্বাৰা, এব = ই, তৎ = তাৰদ্বাৰাই, তর্পয়তি = তৃপ্ত কৰা হয়, তে = সেইবোৰে, এনম্ = এওক, তৃপ্তাঃ = তৃপ্ত হৈ, আয়ুষা = দীর্ঘ জীৱনৰ দ্বাৰা, তেজসা = শক্তিৰ দ্বাৰা, বর্চসা = বলৰ দ্বাৰা, শ্রিয়া = ঐশ্বর্যৰ দ্বাৰা, য়শসা = যশস্যাৰ দ্বাৰা, ব্রহ্মবর্চসেন = ব্রহ্মশক্তিৰ দ্বাৰা, অন্নাদ্যেন = অন্নৰ দ্বাৰা, চ = আৰু, তর্পয়ান্তি = তৃপ্ত কৰে, ইতি = সমাপ্তি বুজোৱা নিপাত।

অসমীয়া অনুবাদ ঃ যেতিয়া ঋকমন্ত্রৰ অধ্যয়ন কৰা হয়, সেয়াই দেৱতাসকলক গাখীৰৰ আহুতিৰ দ্বাৰা (গাখীৰৰ আহুতি প্রদান কৰাৰ দৰে) তৃপ্ত কৰে। যেতিয়া অথবা যিজনে যজুষ্ মন্ত্রসমূহৰ অধ্যয়ন কৰে, সেইবোৰ দেৱতাসকলক ঘিঁউৰ আহুতিৰ দ্বাৰা তৃপ্ত কৰে। যেতিয়া সামন্ মন্ত্রসমূহৰ অধ্যয়ন কৰা হয়, সিয়ে দেৱতাসকলক মোমৰসৰ আহুতিৰ দ্বাৰা তৃপ্ত কৰে। যেতিয়া অথর্বাঙ্গিৰস অর্থাৎ অথর্ববেদৰমন্ত্রৰ অধ্যয়ন কৰে, ইয়াৰ দ্বাৰাই দেৱতাসকলক মধুৰ আহুতিৰ দ্বাৰা তৃপ্ত কৰা হয়। যেতিয়া ব্রাহ্মণ, ইতিহাস, পুৰাণ, কল্প, গাঁথা তথা নাৰাশংসীসমূহৰ অধ্যয়ন কৰা হয়, সেয়াই দেৱতাবোৰক মাংসৰ আহুতিৰ দ্বাৰা তৃপ্ত কৰে। সেই দেৱতাসকল তৃপ্ত হৈ ব্রহ্মযজ্ঞ কৰাজনক দীর্ঘজীৱন, শক্তি, বল, ঐশ্বর্য্য, যশস্যা, ব্রহ্মতেজ আৰু অন্ন আদিৰ দ্বাৰা পৰিপূর্ণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ দেৱযজ্ঞ কেনেকৈ সম্পাদিত হয়?

.....

.....

প্ৰশ্ন নং ৭ ঃ কোনটো যজ্ঞত 'স্বধা' শব্দটো ব্যৱহাৰ কৰা হয়?

.....

.....

প্ৰশ্ন নং ৮ ঃ 'স্বাধ্যায়' মানে কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ গাখীৰ নদী কেতিয়া হবির্দ্ৰব্য হৈ প্ৰবাহিত হোৱাৰ দৰে হয়?

.....

.....

প্ৰশ্ন নং ১০ ঃ অথর্বাঙ্গিৰস মানে কি?

.....

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বেদৰ যজ্ঞ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিলে।
- বেদৰ যজ্ঞৰ বিভাগসমূহৰ বিষয়ে জানিব পাৰিলে।
- পঞ্চমহাযজ্ঞৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- তৈত্তিৰীয় আৰণ্যকত উপলব্ধ পঞ্চমহাযজ্ঞৰ পাঠটোৰ লগত চিনাকী হ'ল।



৭.৯ অধিক জানিবলৈ

১) চৌবে, ড° ব্ৰজ বিহাৰী, (১৯৮৬), *The New Vedic Selection, Part-II,* দিল্লী, ভাৰতীয় বিদ্যা প্ৰকাশন।

২) শৰ্মা, ড° থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।



৭.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যজ্, ধাতুটোৰ পৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হোম, ইষ্টি, সোম, পশু আৰু সত্ৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ যজ্ঞ সদায়ে অনুষ্ঠিত কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অন্ন, জল, পিণ্ডদান, শ্ৰাদ্ধ আদিৰ দ্বাৰা পূৰ্বপুৰুষসকলক সন্তুষ্ট কৰাকে পিতৃযজ্ঞ বোলে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তৈত্তিৰীয় আৰণ্যক, আশ্বলায়ন গৃহ্যসূত্ৰ, ভাৰদ্বাজ গৃহ্যসূত্ৰ, গোভিল গৃহ্যসূত্ৰ, মনুসংহিতা আদি গ্ৰন্থত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া অগ্নিত এটুকুৰা যজ্ঞকাষ্ঠ (সমিধ) আহুতি হিচাপে দিয়া হয়, তেতিয়াই দেৱযজ্ঞ সম্পাদিত হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃযজ্ঞত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত নিজৰ বেদৰ শাখাটোৰ অধ্যয়নক স্বাধ্যায় বোলে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া ঋগ্‌বেদৰ ঋক্‌সমূহৰ অধ্যয়ন পূৰ্বক ব্ৰহ্মযজ্ঞ সম্পাদন কৰা হয়, তেতিয়াই পূৰ্বপুৰুষ সকলৰে গাখীৰৰ নদীৰ দৰে আহুতি প্ৰবাহিত হয়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ অথৰ্ববেদৰ আন এটা নাম।



৭.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক।

(ক) তৈত্তিৰীয় আৰণ্যকখন কোনখন বেদৰ অন্তৰ্গত?

(খ) যজ্ঞ শব্দটোৰ অৰ্থ কি?

(গ) পঞ্চমহাযজ্ঞ কেইটা কি কি?

(ঘ) ভূতযজ্ঞ কেনেদৰে সম্পাদিত হয়?

(ঙ) যজ্ঞৰ প্ৰধান বিভাগ দুটা কি কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ বাক্যবোৰ ব্যাখ্যা কৰক।

(ক) পঞ্চ বা এতে মহাযজ্ঞাঃ সততি প্ৰতায়ন্তে।

(খ) যদ্‌গ্নৌ জুহোত্যপি সমিধ তদদৈবযজ্ঞঃ সংতিষ্ঠতে।

(গ) যৎ ভূতেভ্যো বলিং হৰতি তৎ ভূতযজ্ঞ সংতিষ্ঠতে।

(ঘ) যদৃচো২ধীতে পয়সঃ কুল্যা অস্য পিতৃন্ স্বধা অভিবহন্তি।

প্ৰশ্ন ২ ঃ পঞ্চমহাযজ্ঞ মানে কি? এই যজ্ঞৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ঋগ্‌বেদাদিৰ অধ্যয়নৰ দ্বাৰা পিতৃ-পুৰুষসকল কেনেকৈ সন্তুষ্ট হয় আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক।

ব্ৰহ্মযজ্ঞ, পিতৃযজ্ঞ, স্বাধ্যায়, মনুষ্যযজ্ঞ।

*** ***** ***